# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 13-07-2025
**Time:** 12-05 Hrs

***Assamese Midday Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গোলাঘাট জিলাৰ বান পৰিস্থিতিৰ বুজ লোৱাৰ বাবে আজি জিলাখনত উপস্থিত হয়। তেওঁ শিমলুচাপৰি নিম্ন প্ৰাথমিক বিদ্যালয়ত আশ্ৰয় লৈ থকা বান প্ৰভাৱিত লোকসকলৰ সৈতে মত বিনিময় কৰে।

নাগালেণ্ডত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত গোলাঘাট জিলাৰ ধনশিৰি নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত জিলাখনৰ ৫টা ৰাজহ চক্ৰৰ বিস্তীৰ্ণ অঞ্চল কেইবাদিনো ধৰি বানৰ কবলত আছে। জিলাখনৰ বিভিন্ন স্থানত মুঠ ৩৩ টা সাহায্য শিবিৰ মুকলি কৰি জিলা প্ৰশাসনে বানপীড়িত লোকসকললৈ সহায়ৰ হাত আগবঢ়াইছে। মৰঙি ৰাজহ চক্ৰৰ অধীনৰ মুঠ ২৪ খন গাঁৱৰ প্ৰায় ছহেজাৰ লোক বানৰ কবলত পৰিছে। বোকাখাট ৰাজহ চক্ৰৰ মুঠ ৯ খন গাঁৱৰ ৮ সহস্ৰাধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। একেদৰে খুমটাই ৰাজহ চক্ৰৰ অধীনৰ ৩০ খন গাঁও আৰু গোলাঘাট ৰাজহ চক্ৰৰ মুঠ ২৩ খন গাঁও বানৰ কবলত পৰিছে।

০০০০

ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান - আই আই টি গুৱাহাটীৰ আজি ২৭ সংখ্যক সমাৱৰ্তন অনুষ্ঠিত হ'ব। সমাৱৰ্তন অনুষ্ঠানত মুখ্য অতিথি হিচাপে আমেৰিকাৰ ক্লেনচন বিশ্ববিদ্যালয়ৰ বৈদ্যুতিক আৰু কম্পিউটাৰ অভিযান্ত্ৰিক বিভাগৰ দি হাউচাৰ বেংকছৰ অধ্যাপক ড° ৰাজেন্দ্ৰ সিং আৰু সন্মানীয় অতিথি হিচাপে ইণ্ডিয়ান নেচনেল একাডেমী অৱ ইঞ্জিনিয়াৰিংছৰ অধ্যক্ষ জে দি পাটিল উপস্থিত থাকিব। আই আই টি গুৱাহাটীৰ ড০ ভূপেন হাজৰিকা প্ৰেক্ষাগৃহত হ'বলগীয়া সমাৱৰ্তনত এইবেলি মুঠ ২ হেজাৰ ৯৩ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰীৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব। আজিৰ সমাৱৰ্তনত ১০৫ গৰাকীক স্নাতক, ৮১৮ গৰাকীক স্নাতকোত্তৰ আৰু ২৭০ গৰাকীক পি এইচ ডি ডিগ্ৰীৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব। স্নাতক আৰু স্নাতকোত্তৰ দুয়োটা শাখাৰ বাবে ৰাষ্ট্ৰপতিৰ স্বৰ্ণ পদক, ড° শংকৰ দয়াল শৰ্মা স্বৰ্ণ পদক আৰু অসমৰ ৰাজ্যপালৰ স্বৰ্ণ পদককে ধৰি ৪টা স্বৰ্ণ পদক প্ৰদান কৰা হ'ব।

০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত আয়োজিত গুৱাহাটী শিশু মহোৎসৱত আজি সঁফুৰা বৃত্তি প্ৰদান কৰা হ'ব। এই অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপৰি কেইবাগৰাকীও সাহিত্যিক আৰু সাংবাদিক উপস্থিত থকাৰ কথা।

০০০০

বিটিচি প্ৰশাসনৰ উদ্যোগত চিৰাং জিলাৰ উলুবাৰীত কালি এখন ষ্টেডিয়ামৰ আধাৰশিলা স্থাপন কৰা হয়। বিটিচি প্ৰধান প্ৰমোদ বড়োৱে বীৰ চিলাগাং বসুমতাৰীৰ স্মৃতিত মুঠ ৪ কোটি ৫০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ

কৰিবলগীয়া ষ্টেডিয়ামখন নিৰ্মাণ কৰা হ'ব। ষ্টেডিয়ামখন সম্পূৰ্ণ হৈ উঠিলে চিৰাঙৰ উত্তৰাঞ্চলৰ  উদীয়মান খেলুৱৈ তথা যুৱক-যুৱতীসকল উপকৃত হ'ব বুলি বিটিচি প্ৰধানগৰাকীয়ে ভাষণত আশা প্ৰকাশ কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত বিটিচিৰ কাৰ্যবাহী সদস্য ধনঞ্জয় বসুমতাৰী আৰু পাৰিষদ মাধৱ চন্দ্ৰ চেত্ৰীকে ধৰি বহুকেইগৰাকী লোক উপস্থিত থাকে আকাশবাণীৰ চিৰাঙৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০

সদৌ অসম সাংবাদিক সন্থাৰ যোৰহাট জিলা সমিতি আৰু সাংবাদিক কল্যাণ নিধিৰ উদ্যোগত যোৰহাটত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে গোলকীয় উষ্ণতা বৃদ্ধি আৰু জৈৱ বৈচিত্ৰ্যলৈ ভাবুকি শীৰ্ষক এখন ৰাজ্যিক পৰ্যায়ত কৰ্মশালা অনুষ্ঠিত হৈছে। পদ্মশ্ৰী সন্মানেৰে বিভূষিত যাদৱ পায়েঙে কালি বন্তি প্ৰজ্বলনেৰে কৰ্মশালাখন উদ্বোধন কৰে। তেওঁ কয়, যে ব্যাপকহাৰত গছপুলি ৰোপণ কৰি বৰ্তমান বিশ্বৰ বাবে ভাবুকি হৈ পৰা গোলকীয় উষ্ণতা বৃদ্ধিৰ সমস্যাৰ পৰা পৰিত্ৰাণ পাব পাৰি।

০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দৰে ৰাজ্যৰ আন ৰাষ্ট্ৰীয় উদ্যানসমূহকো বিশ্ব দৰবাৰত পৰিচিত কৰোৱাৰ বাবে বন বিভাগে সদায় ইতিবাচক পদক্ষেপ লৈ আহিছে। শোণিতপুৰ জিলাৰ অসম-অৰুণাচল সীমান্তৱৰ্তী জৈৱ বৈচিত্ৰ্যৰ ভঁৰালস্বৰূপ তথা দুস্প্ৰাপ্য দেওহাঁহৰ বাবে বিখ্যাত নামেৰি ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্পৰ হাতী গেটত বন বিভাগে নিৰ্মাণ কৰা পৰিৱেশ শিবিৰ উদ্বোধন কৰি বন আৰু পৰিৱেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে নামেৰিৰ সৌন্দৰ্য্য পূৰ্বতকৈও বৃদ্ধি পাইছে আৰু উদ্যানখনলৈ অহা দেশী পৰ্যটকৰ সংখ্যাও বৃদ্ধি পাইছে। কাজিৰঙাৰ লগতে নামেৰি উদ্যানখনৰ সকলো প্ৰকাৰে বিকাশ সাধন কৰিবলৈ প্ৰয়াস কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাইয়ো অংশগ্ৰহণ কৰে।

০০০০

মাজুলী আৰক্ষীয়ে মিছন বসুন্ধৰাৰ হিতাধিকাৰীৰ পৰা ধন সংগ্ৰহৰ চক্ৰান্ত কৰা দুজন প্ৰৱঞ্চকক কালি তেজপুৰৰ পৰা গ্ৰেপ্তাৰ কৰে। তেজপুৰৰ ডিকৰাইজান আৰু গোটলুঙৰ পৰা গ্ৰেপ্তাৰ কৰা লোক দুজনে নিজকে ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ কৰ্মচাৰী বুলি পৰিচয় দি হিতাধিকাৰীৰ পৰা ফোনৰ জৰিয়তে ধন সংগ্ৰহ কৰিছিল। গ্ৰেপ্তাৰ হোৱা লোক দুজনৰ নাম আছাদ্দুল ইছলাম আৰু হানিফ আলী বুলি আকাশবাণীৰ মাজুলীৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০

গোলাঘাট জিলাৰ বৰপথাৰৰ মিৰিগাঁৱত এটি ছমহীয়া শিশুৰ জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। যোৰহাট চিকিৎসা মহাবিদ্যালয়ত কেইবাদিন ধৰি চিকিৎসাধীন হৈ থকা  অৱস্থাত কালি শিশুটিৰ মৃত্যু ঘটে। জাপানীজ এনকেফেলাইটিছ ৰোগত শিশুটিৰ মৃত্যু হোৱাৰ খবৰ পোৱাৰ পাছতেই অঞ্চলটোৰ ৰাইজে স্বাস্থ্য বিভাগৰ এই ৰোগৰ প্ৰতিৰোধৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

০০০০

সমাপ্ত